**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-07-2025
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*

—————————

মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত আঁচনিৰ ডিব্ৰুগড় জিলা পৰ্যায়ৰ ৰূপায়ণ সমিতিৰ এখন বৈঠক কালি জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাসমূহৰ পৰা এই আঁচনিৰ বাবে লাভ কৰা হিতাধিকাৰীৰ তালিকা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। যিসমূহ চাহ বাগিচাই বৰ্তমানলৈ হিতাধিকাৰীৰ তালিকা আৰু প্ৰপত্ৰ সংশ্লিষ্ট বিভাগক জমা দিয়া নাই সেইসমূহ বাগিচাৰ কৰ্তৃপক্ষক সোনকালেই প্ৰপত্ৰসমূহ সংশ্লিষ্ট বিভাগক জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। বৈঠকত হিতাধিকাৰীৰ নাম প্ৰপত্ৰ প'ৰ্টেলত আপলোড আৰু ডিজিটাইজেচন কৰাৰ সময়ত সন্মুখীন হোৱা সমস্যা সন্দৰ্ভতো বিশেষ আলোচনা কৰা হয়। ডিব্ৰুগড়ৰ অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, সহকাৰী আয়ুক্তদ্বয় পূজা বৰা, সুৰভী শ্ৰীবাস্তৱা, ডিব্ৰুগড় পূব ৰাজহ চক্ৰ চক্ৰবিষয়া সতীশ প্ৰসাদ, বেংকসমূহৰ মুখ্য জিলা প্ৰৱন্ধক সন্তোষ কুমাৰ সিং প্ৰমুখ্যে সমিতিৰ ভালেসংখ্যক সদস্য উপস্থিত থাকে। উল্লেখযোগ্য মুখ্যমন্ত্ৰীৰ এই আঁচনিৰ অধীনত চৰকাৰে চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে বাগিচাৰ কৰ্মচাৰীসকলৰ বাবে ৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

যোৰহাট আৰৰ্ত ভৱনত কালি অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি, বিজ্ঞান আদি দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তৰ সভাপতিত্বত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। অসম চৰকাৰৰ মিছন বসুন্ধৰা ৩.০ আৰু অন্যান্য সম্পৰ্কীয় সেৱাসমূহৰ জিলা পৰ্যায়ৰ কাম-কাজ ৰূপায়ণৰ পৰ্যালোচনা বাবে অনুষ্ঠিত বৈঠকত আঁচনিখনৰ ৰূপায়ণৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। এই বৈঠকতে আঁচনিখনৰ যাৱতীয় কাম-কাজ ক্ষীপ্ৰতাৰে আৰু নিয়াৰিকৈ সম্পন্ন কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীক নিৰ্দেশ দিয়ে।

জিলাখনৰ শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভতো বৈঠকত পৰ্যালোচনা কৰা হয়। জিলাখনৰ সম্ভাব্য বান পৰিস্থিতি ক্ষীপ্ৰতাৰে মোকাবিলা কৰি জনসাধাৰণক সকাহ দিব পৰাকৈ ল'বলগীয়া দুৰ্যোগ ব্যৱস্থাপনাৰ পূৰ্ব প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসনক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। এই বৈঠকত যোৰহাট জিলা আয়ুক্ত জয় শিৱানী, জিলা উন্নয়ন আয়ুক্ত, টীয়ক বিধানসভা সমষ্টিৰ বিধায়িকাৰ প্ৰতিনিধি, অতিৰিক্ত জিলা আয়ুক্ত, চক্ৰ বিষয়া আৰু জিলাখনৰ বিভাগীয় মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

০০০০০০

অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ধেমাজি জিলাৰ গাই নদী ফেনে ফোটোকাৰে বাঢ়িছে আৰু নৈখনৰ বাঢ়নি পানীয়ে জিলাখনৰ বৃহত্তৰ অঞ্চল জলমগ্ন কৰি তুলিছে। এই বানত ধেমাজিৰ পৰা

বগীবিল সংযোগী আমগুৰি পথত থকা এখন পকী দলঙৰ এটা মূৰ খহাই নিয়াত পথছোৱাৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। বানৰ ফলত জিলাখনৰ শ্ৰীপানী, নিলখ, বেতনিপাম আৰু আমগুৰি পঞ্চায়তৰ বৃহৎ অংশ জলমগ্ন হোৱাৰ লগতে সাপেখাটী, আটকাই, হাতীগড় আদি অঞ্চলৰ বৃহত্তৰ কৃষিভূমি জলমগ্ন হৈ পৰিছে। ইফালে, জোনাইতো ৰায়াং নদীৰ বানত নৈৰ এটা বান্ধ চিগি যোৱাৰ ফলত কেইবাখনো গাঁও বানৰ কৱলত পৰে। দিখাৰী, গালি, ৰায়াং, ৰাজাখানা নৈৰ বানে ছিগা, ৰায়াং, বিজয়পুৰ, ৰামধন-দিখাৰী আৰু তেলাম গাঁও পঞ্চায়তৰ অন্তৰ্গত শতাধিক গাঁও প্লাৱিত কৰিছে।

০০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই কালি যোৰহাট জিলাৰ কৃষি আৰু আৱকাৰী বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। ৰাজ্যৰ বিভিন্ন অঞ্চলত সৃষ্টি হোৱা খৰাং সদৃশ পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰীগৰাকীয়ে জিলাখনৰ অৱস্থাৰ বুজ লয়। স্বাভাৱিক অৱস্থাতকৈ জিলাখনত এইবাৰ বৰষুণৰ পৰিমাণৰ ৭ শতাংশ হ্ৰাস হোৱা বুলি জিলা কৃষি বিষয়াই জানিবলৈ দিয়ে। বতৰৰ এই প্ৰতিকূল পৰিৱেশৰ এটা সূক্ষ্ম পৰ্যালোচনা কৰি কৃষক ৰাইজৰ সহায় হোৱাকৈ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে মন্ত্ৰীগৰাকীয়ে জিলা কৃষি বিষয়াক নিৰ্দেশ দিয়ে।

মন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ অবৈধ সুৰা ব্যৱসায়ৰ ওপৰত জিলা প্ৰশাসনে চলোৱা অভিযান সন্দৰ্ভত বুজ লয়। জিলাখনৰ বিশেষকৈ চাহ বাগিচা অঞ্চলসমূহত অভিযান তীব্ৰতৰ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আবকাৰী অধীক্ষকক নিৰ্দেশ দিয়ে।

০০০০০০

বিশ্বনাথ জিলাত চাৰি লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইদাৰৰ কিছু অংশত একাংশ ব্যক্তিয়ে নিয়ম বৰ্হিভূতভাৱে ডিভাইদাৰ ভাঙি পাৰ হ'বলৈ সুৰুঙা তৈয়াৰ কৰি লৈছে। এনে কাৰ্য আইনগত দণ্ডনীয় হোৱাৰ লগতে দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়। সেয়েহে এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ আৰক্ষী প্ৰশাসনে ৰাইজক আহ্বান জনাইছে।

০০০০০০

যোৰহাট জিলাৰ লাহদৈগড় আৰক্ষী চকীৰ বিষয়া দীপাংকৰ দলেৰ নেতৃত্বত কালি সন্ধিয়া আৰক্ষীৰ দলে লাহদৈগড় অঞ্চলৰ এঘৰত তালাচী চলাই প্ৰায় ২৭ লিটাৰ অবৈধ সুৰা জব্দ কৰাৰ লগতে এই ব্যৱসায়ৰ লগত জড়িত দুজন লোকক আটক কৰে। অঞ্চলটোত অবৈধ সুৰা বিক্ৰী সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ টেঙাখাট আৰক্ষী থানাৰ অন্তৰ্গত পিথু নগৰত কালি পুখুৰীত পৰি তিনিজন শিক্ষাৰ্থীৰ মৃত্যু হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, দুপৰীয়া প্ৰায় বাৰ বজাত দুই নম্বৰ বাছমতিয়া গ্ৰাণ্টৰ অতিত ভূমিজ, গীতা ভূমিজ আৰু পল্লবী ভূমিজ নামৰ শিক্ষাৰ্থীকেইগৰাকীয়ে ঘৰৰ সমীপৰ এটা ৰাজহুৱা পুখুৰীত গা ধুবলৈ নামিছিল। কিন্তু সাঁতুৰিব নজনাৰ বাবে শিক্ষাৰ্থীকেইজন পুখুৰীৰ পানীত বুৰ গৈ মৃত্যুক সাৱতি লয়।

০০০০০০

সমাপ্ত